সামাজিক শিক্ষা বিষয়ক পুস্তিকাৱলী।

“বিজ্ঞানৰ দান”

শিক্ষক সকলে বুজাব লগীয়া বিষয়ৰ চমু টোকা।

“মানৱ সেৱাত বিজ্ঞানৰ দান।”

১ম সংস্কৰণ

বোম্বে চৰকাৰৰ শিক্ষা বিষয়ক উপদেষ্টাৰ অফিচৰ পৰা প্ৰকাশিত
আৰু অসম সামাজিক শিক্ষাবিভাগৰ দ্বাৰা অসমীয়ালৈ অনূদিত।

"অন্ধকাৰৰ পৰা মোক পোহৰলৈ নিয়া
অজ্ঞতাৰ পৰা জ্ঞানৰ পথ দেখুৱা
মৃত্যুৰ পৰা নি অমৰত্ব দান কৰা

—উপনিষৎ

বিজ্ঞানৰ দান

মানুহে দ্রুতবেগেৰে ভ্রমণ কৰিবলৈ শিকিছে ।

(দূৰত্ব নোহোৱা হৈছে ।)

(১) মানুহৰ ইঠাইৰপৰা সিঠাইলৈ যাবলৈ সদায়েই আৱশ্যক হৈছিল । কিয় ? নিজৰ কাৰণে আহাৰ বিচাৰিবলৈ, গৰু গাই-বিলাকৰ কাৰণে ঘাঁহনি পথাৰ বিচাৰিবলৈ, শত্রুৰ পৰা ৰক্ষা পাবলৈ, বেয়া বতৰৰপৰা ৰক্ষা পাবলৈ আৰু তাৰ উপৰি মানুহৰ পৃথিৱীখনৰ চাৰিও ফালে ক'ত কি আছে সেইটো জানিবলৈ যে স্বাভাৱিক প্রবৃত্তি আছে সেইটো কাৰণে ।

(২) আগৰ কালত মানুহে নিজৰ ভৰি দুখনেৰে হে খোজ কাঢ়ি গৈছিল । এইদৰে খোজ কাঢ়ি বহুতদূৰ যোৱাটো বৰ টান আৰু ভাগৰ লগা কথা আছিল ; আৰু যদিহে বাটত পাহাৰ, পর্ব্বত, মৰুভূমি, হাবি বননি আৰু নৈ থাকে তেন্তে তো কথাই নাই ।

(৩) বাৰু, কিটো আৱিষ্কাৰৰ-পৰা মানুহে সহজতে আৰু বেছি বেগাই যাবলৈ শিকিলে ? মানুহে ঘোঁৰা, উট, গাধ আৰু হাতী বশ কৰি সেইবিলাকৰ ওপৰত উঠি ফুৰিছিল। কালক্ৰমত মানুহে এই জন্তুবিলাকে টানি নিব পৰা বহুত বিধৰ গাড়ী সাজিবলৈ শিকি সেই বিলাকৰ সহায়েৰে একেলগে কেবাজনো মানুহে ইঠাইৰপৰা সিঠাইলৈ যাব পাৰিছিল। ইয়াৰ পিচত বহুত শতাব্দীলৈকে মানুহে এই বিষয়ে কোনো নতুন উল্লেখযোগ্য উন্নতি কৰিব পৰা নাছিল।

(৪) কিন্তু মানুহ অকল মাটিয়ে দিয়ে যে যাবলগীয়া হয় এনে নহয়, তেওঁলোকে জুৰি নৈ আৰু সাগৰো পাৰ হব লগীয়া হয়। সেই কাৰণে মানুহে সাঁতুৰিবলৈ শিকিলে—সস্তুৰ জন্তুবিলাকে সাঁতোৰা দেখি।

(৫) তাৰ পিচত মানুহে আৰু এটা আৱিষ্কাৰ কৰিলে—বোধকৰোঁ এটুকুৰা কাঠ পানীত ওপঙি যোৱা দেখি। তেওঁ ভাবিলে যে তেওঁ কাঠেৰে নাও এখন সাজি অনায়াসে নৈ খন পাৰ হৈ যাব পাৰিব। প্ৰথম নাওখন সম্ভৱ ভিতৰ ফালে গোতোং এখন ভূৰহে আছিল; কিন্তু সেইদিনাৰ পৰাই সাগৰ-যাত্ৰাৰ উপায়ৰ আৰম্ভণ হ'ল বুলি কব পাৰি।

(৬) ইয়াৰ পিচত বহুত শতাব্দী গ'ল। মানুহে প্ৰকৃতিৰ নিয়মবিলাক লক্ষ্য কৰি নিজৰ জ্ঞানৰ ভাণ্ডাৰত বহুত নতুন নতুন তথ্য সংগ্ৰহ কৰিবলৈ ধৰিলে। মানুহে বুজি উঠিলে যে অকল প্ৰাণীবিলাকৰ সহায়েৰে নহয় কিন্তু পানী, জুই

আৰু ভাপৰ সহায়েৰেও বস্তুবিলাক লৰাব পাৰি। এইদৰেই ভাপৰ দ্বাৰা চলোৱা ৰেলগাড়ীৰ ইঞ্জিন বাহিৰ হ'ল। প্ৰায় ১৩০ বছৰৰ আগতে ষ্টিফেনচনে এনেকুৱা এটা যন্ত্ৰ প্ৰথম সাজি উলিয়াইছিল। তেতিয়াৰ পৰাই আজিকালিৰ ৰেলগাড়ীৰ যুগ আৰম্ভ হ'ল, যিটো যুগৰ পৰা মানুহে নিৰাপদ ভাৱে, বেগাই, সহজে আৰু আৰামত ফুৰিব পৰা হ'ল।

(৭) পানীত মানুহে বতাহৰ সহায়েৰে পাল তৰা নাৱত চলাচল কৰি ফুৰিছিল। এতিয়া তেওঁলোকে ভাপৰ শক্তি আৰু যন্ত্ৰপাতিৰ ব্যৱহাৰৰ বিষয়ে যিটো নতুন জ্ঞান পালে তাৰ সহায়েৰে ভাপৰ জাহাজবিলাক সাজিবলৈ ধৰিলে। ইয়াৰ পিচত কি এটা ডাঙৰ পৰিবৰ্ত্তন হ'ল! তেওঁলোকে অকল বেগাই যে যাবলৈ সক্ষম হ'ল এনে নহয় তেওঁলোকে নিৰাপদেৰে আৰু বতাহ, বৰষুণ, ধুমুহা আদিক কেৰেপকে নকৰি ভ্ৰমণ কৰিব পৰা হ'ল।

(৮) পেট্ৰল আৱিষ্কাৰ হোৱাত আৰু ইয়াৰপৰা যে শক্তিৰ উৎপত্তি হয় সেইটো মানুহে বুজি উঠাত আৰু এখোপ উন্নতিৰ বাট মুকলি হ'ল। আজিকালি আমি ৰেলগাড়ীতকৈও বেগেৰে যাব পৰা মটৰ গাড়ী আৰু বাছবিলাক দেখিছোঁ। এইবিলাক এজন, এটা পৰিয়াল বা কেইবাজনো মানুহে গোট খাই কিনি লৈ মানুহ অনা-নিয়া কৰিব পাৰে।

(৯) এতিয়ালৈকে মানুহে মাটিত আৰু সাগৰতহে ভ্ৰমণ কৰিবলৈ শিকিছিল। কিন্তু তেওঁ চৰাইবিলাকক আকাশেদি

হেলাৰতে উৰি যোৱা দেখি সদাই ভাবিছিল—তেওঁ কেনেকৈ সেইদৰে উৰি যাব পাৰে। তেওঁ মনতে চিন্তা কৰিবলৈ লাগিলে ; মানুহে সেইটো কাম কৰিব পাৰিবনে ? বৈজ্ঞানিক সকলে চৰাইবিলাকে উৰি যোৱা কথাটো বহুত দিনৰপৰাই লক্ষ্য কৰি আছিল আৰু সেইটো লক্ষ্য কৰি চৰাইবিলাকে পাখি দুখন কেনেকৈ মাৰে সেই বিষয়ে আৰু বতাহৰ বিষয়ে নতুন নতুন জ্ঞান আৰ্জ্জন কৰিছিল আৰু নতুনকৈ আৱিষ্কাৰ হোৱা পেট্ৰল নামে বস্তুটোৰ সহায় লৈ আকাশী জাহাজ সাজিলে।

চিন্তাবিলাকে বেগেৰে গতি কৰিবলৈ শিকিছে ৷

(১) মানুহে দূৰত্বক কেনেকৈ জয় কৰিছে সেই বিষয়ে আমি ইয়াৰ আগতে কৈ আহিছোঁ। আজি-কালি তেওঁ লোকে বস্তু-বাহানিৰ সৈতে ইঠাইৰ-পৰা সিঠাইলৈ ইমান বেগেৰে যাব পাৰে যে সেইটো কথা আমাৰ আগৰ চামৰ মানুহে সপোনতো ভাবিব পৰা নাছিল। আজি এশ বছৰ আগেয়ে বোম্বেৰপৰা দিল্লীলৈ যাবলৈ পাঁচ সপ্তাহ লাগিছিল।

কিন্তু আজি-কালি পাঁচ ঘণ্টাহে মাথোন লাগে। বোম্বেৰপৰা লণ্ডনলৈ যাবলৈ কেবাবছৰো লাগিছিল কিন্তু আজি-কালি কেই ঘণ্টা মাথোনহে লাগে

(২) আজি-কালি অকল মানুহেই নহয় মানুহৰ মনৰ চিন্তাবিলাকেও বেগেৰে গতি কৰিবলৈ ধৰিছে আৰু সেই বিলাকে মানুহতকৈয়ো বহুত বেচি বেগেৰে যাব পাৰে। বিজ্ঞানৰ যাতুবিলাকৰ ভিতৰত ইয়ো এটা। এইটো কেনেকৈ সম্ভৱ-পৰ হৈছে—চোৱা যক।

(৩) আগৰ দিনৰ মানুহে নিজৰ মনৰ ভাববিলাক আনক কেনেকৈ বুজাইছিল? প্ৰথম অৱস্থাত অঙ্গি ভঙ্গীৰে আৰু পিচত যেতিয়া তেওঁলোকে কথা পাতিবলৈ শিকিলে তেতিয়া পৰস্পাৰে কথা পাতি। মানুহৰ মনৰ ভাববিলাকৰ আদান-প্ৰদানৰ কাৰণে ব্যক্তিগত সংস্পৰ্শৰ আৱশ্যক হৈছিল আৰু যিটো কথা মানুহৰ মনত ৰৈ গৈছিল কেৱল সেইটো বিষয়েহে কথা পাতিব পাৰিছিল।

(৪) মানুহে কোৱা কথাবোৰ কাঠ, শিল, হাড় আৰু সাঁচি পাতত (পিচলৈ কাকতত) কিছুমান ছবিৰ দৰে চিন আঁকি বুজাবলৈ চেষ্টা কৰিছিল। প্ৰত্যেকখন ছবিয়েই একো একোটা ভাব বা খবৰ বুজাইছিল।

(৫) এই চিন বা ছবিবোৰেই পিচলৈ আখৰত পৰিণত হৈছিল আৰু আখৰ লিখিব পৰাটো এটা বিদ্যা হৈ পৰিল। তেতিয়া হাতে-লিখা পুথিবিলাক ওলাবলৈ ধৰিলে। পুথি

বিলাক ওলোৱাৰপৰা মানুহৰ মনৰ চিন্তাবিলাকক বহুত দিনলৈকে সাঁচি থব পৰা অৱস্থা হ'ল আৰু আগৰ চামৰ মানুহে যিবিলাক কথা ভাবিছিল পিচৰ চামৰ মানুহে সেই বিলাক কথা পুথি পঢ়িয়েই জানিব পাৰিছিল। মানুহৰ যেনেকৈ এটা স্মৃতি শক্তি থাকে পুথিবিলাকো তেনেকৈ গোটেই জাতিটো বা সমাজখনৰ কাৰণে এটা স্মৃতি শক্তি হৈ পৰিছিল।

(৬) বিজ্ঞানৰ উন্নতি আৰু কল-কাৰখানাবিলাক বাহিৰ হোৱাৰ লগে লগে কিতাপ ছপা কৰা যন্ত্ৰও আৱিষ্কাৰ হ'ল। এতিয়াৰপৰা কিতাপবিলাক হাজাৰে হাজাৰে আৰু তাতোকৈয়ো বেচি সংখ্যাত ওলাবলৈ ধৰিলে। প্ৰত্যেকখন পুথিকে হাতেৰে লিখিবৰ আৱশ্যক নহৈছিল, তাৰ সলনি ছপা কৰা যন্ত্ৰই হাজাৰ হাজাৰ হাতে-লিখা মানুহৰ কাম কৰিছিল।

(৭) ইয়াৰ পৰিণাম কি হৈছিল? কিতাপবিলাক সস্তা হৈ পৰিল। সেইবিলাক অকল ধনী বা ধাৰ্ম্মিক মানুহেই নহয়, লোক সাধাৰণেও কিনি পঢ়িব পৰা হ'ল আৰু এইদৰেই শিক্ষা আৰু নতুন নতুন ভাববিলাক বৰ সোনকালে মানুহৰ মাজত প্ৰচাৰ হৈছিল। জ্ঞান কেৱল এশ্ৰেণী মানুহৰ ব্যক্তিগত সম্পত্তি নহৈ কাৰ্য্যত সকলোৰে উমৈহতীয়া সম্পত্তিত পৰিণত হ'ল।

(৮) ছপা কৰা যন্ত্ৰ আৱিষ্কাৰ হোৱাৰ পিচত বাতৰি-কাকত আৰু আলোচনীবিলাকৰো সংখ্যা বৃদ্ধি হল আৰু দৈনিক কাকতবিলাকৰ যোগেদি প্ৰত্যেক জন শিক্ষিত মানুহেই পৃথি-

ৱীৰ বেলেগ বেলেগ ঠাইত কি হৈছে সেইটো কথা সহজে জানিব পাৰিছিল।

(৯) কিন্তু তথাপি বাতৰি-কাকতে খবৰৰ যোগান দিব পৰা এটা সীমা আছিল। নগৰৰ বাহিৰৰ খবৰবিলাক ডাক, ৰেল বা সাগৰৰ জাহাজৰ যোগেদি আহিছিল আৰু এইবিলাক আহি পাওঁতে বহুত সময় লাগিছিল। গতিকে বিজ্ঞানে এই সমস্যা দূৰ কৰাত লাগি গ'ল। চিঠি বা মানুহৰ যোগেদি খবৰ নপঠাই শূন্যৰ মাজেদি খবৰ পঠোৱাৰ কিবা উপায় আছেনে? বিজ্ঞান এই কামটোত কৃতকার্য্য হল। বিজুলী শক্তিয়ে আমাৰ এই কামত সহায় কৰিলে। মানুহে বুজি পালে যে যি কোনো শব্দই বতাহত কিছুমান ঢৌ তোলে আৰু এই ঢৌবিলাকক বিজুলীৰ তাঁৰৰ যোগেদি লৈ যাব পাৰি। এইদৰেই টেলিগ্ৰাফ আৰু টেলিফোন আৱিষ্কৃত হ'ল আৰু তেতিয়াৰপৰা মানুহে বহুত দূৰৰপৰা ততালিকে ভাব আৰু খবৰবিলাকৰ আদান-প্ৰদান কৰিব পাৰে, আনদেশৰ মানুহে কি কৰিছে সেই বিষয়ে জানিব পাৰে আৰু এই কথাবিলাক পুথি আৰু বাতৰি-কাকতত লিপিবদ্ধ কৰিব পাৰে। কি এটা ডাঙৰ পৰিবৰ্ত্তন হ'ল! দেশ আৰু জাতিবিলাকৰ মাজত পাহাৰ, পৰ্ব্বত আৰু সাগৰৰ ব্যৱধান নোহোৱা হ'ল। খবৰ বাৰ্ত্তা যোগোৱাৰ এই নতুন উপায়বিলাকে সকলোকে একেডাল সূতাতে বান্ধিলে।

(১০) কিন্তু বিজ্ঞান অৰ্থাৎ পৃথিৱী জয় কৰিবলৈ ওলোৱা মানুহ তথাপিতো সন্তুষ্ট নহ'ল। আমাৰ খবৰ বাতৰিবিলাক

নিবলৈ এতিয়াও বিজুলী শক্তি বহন কৰা তাঁৰৰ আৱশ্যক। সেই তাঁৰবিলাক সাগৰ আৰু পৰ্ব্বতৰ মাজেদি নিয়াটো বহুত সময়ত অসম্ভৱ হৈ পৰে। সমস্যা হ'ল— আমি সেই তাঁৰ বিলাকৰ সহায় নোহোৱাকৈ কেনেকৈ খবৰ পঠিয়াব পাৰোঁ। অনাতাঁৰ যন্ত্ৰ বা ৰেডিয়ই ইয়াৰ উত্তৰ। বিজুলীৰ ঢৌবিলাকে বিজুলীৰ তাঁৰৰ কাম কৰিব পাৰে। অনাতাঁৰ যোগে খবৰ পঠিয়াওৱা আৰু খবৰ গ্ৰহণ কৰাৰ বৈজ্ঞানিক ব্যৱস্থা কিছু আড়ম্বৰপূৰ্ণ। মানুহে সেইবিলাকৰ সহায় লৈ গান, কথা আৰু বক্তৃতা পঠিয়াব পাৰে, অভিনয় কৰি দূৰৰ মানুহক আমোদ দিব পাৰে আৰু হাজাৰ হাজাৰ মাইল দূৰলৈ খবৰ বাতৰি পঠিয়াব পাৰে। দূৰত্ব একেবাৰে নোহোৱাই হ'ল আপুনি কেৱল অনাতাঁৰ যন্ত্ৰটোৰ ছাবি পকাই দিলেই গোটেই পৃথিৱীখনৰ মানুহে আপোনাক বেলেগ বেলেগ ভাষাত গান গাই আৰু কথা কৈ শুনাব।

(১১) আপুনি কথা শুনে কিন্তু কথা কওঁতা মানুহজনক চকুৰে নেদেখে। কিন্তু মানুহে অকল কথা শুনিয়েই সন্তুষ্ট নহয়, তেওঁলোকে মানুহজনকো চাব খোজে। যদি ঢৌ বিলাকে শব্দ লৈ যাব পাৰে তেন্তে সেইবিলাকে মানুহজনক প্ৰতিকৃতিটো কিয় লৈ যাব নোৱাৰে? কামটো টান কিন্তু মানুহ পৰাস্ত নহল। বৈজ্ঞানিক গৱেষণাগাৰবিলাকত নানা ধৰণৰ পৰীক্ষা চলিল। অতি বুদ্ধিমান আৰু সুশিক্ষিত মানুহবিলাকে ইটোৰ পিচত সিটো অসুবিধা আঁতৰ কৰি

পেলাবলৈ ধৰিলে। অৱশেষত তেওঁলোকে 'টেলিভিচন' (দূৰৰ বস্তু ওচৰতে দেখা যন্ত্ৰ) যন্ত্ৰ আৱিষ্কাৰ কৰিবলৈ সমৰ্থ হ'ল। আমাৰ দেশত এতিয়াও হোৱা নাই; কিন্তু পাশ্চাত্যৰ কিছুমান উন্নতদেশত বায়স্কোপৰ পৰ্দ্দাৰ দৰে পৰ্দ্দাৰ সৈতে টেলিভিচন যন্ত্ৰ কিছুমান আছে। সেই পৰ্দ্দাত আমি কথা কওঁতা মানুহজনো দেখিবলৈ পাওঁ। কিন্তু আৰু কেই-বছৰমানৰ পাচত টেলিভিচন যন্ত্ৰবিলাক ৰেডিয়ৰ দৰে সমান শক্তিশালী আৰু জনপ্ৰিয় নহব বুলি আপুনি কব পাৰেনে?

(১২) যিদিনা মানুহে ইটোৰ লগত সিটোৱে কেৱল মুখে মুখেহে কথা কৈছিল আৰু কেৱল নিজৰ মনত ৰাখিহে খবৰ বিলাক দূৰলৈ লৈ গৈছিল সেইদিনাৰপৰা আজি-কালিৰ বাতৰি-কাকতত, পুথি, টেলিগ্ৰাফ, টেলিফোন, ৰেডিয় আৰু টেলিফোনৰ যুগলৈ আমি বহুত বাট আহিলোঁ। এই নাটক খনৰ নায়ক হৈছে মানুহ আৰু তেওঁক অভিনয় কৰাত সহায় কৰিছে বিজ্ঞানে।

নতুন পৃথিৱী গঢ়ি তোলাৰ বাটত

(১) আমি দেখিছোঁ মানুহে কেনেকৈ লাহে লাহে দূৰত্বক জয় কৰি আহিছে আৰু গোটেই পৃথিৱীখন কেইদিনমানৰ ভিতৰতে পৰিভ্ৰমণ কৰিব্ পৰা হৈছে। আমি আৰু দেখিছোঁও পুথি, বাতৰি-কাকত, টেলিফোন, ৰেডিয় ইত্যাদিৰ সহায়ত মানুহে কেনেকৈ মানসিক দূৰত্বও নোহোৱা কৰিছে। মানুহে এইবিলাকৰ যোগেদি নিজৰ মনৰ ভাব আৰু অভিজ্ঞতা বিলাক আদান-প্ৰদান কৰিব পাৰে।

(২) ইয়াৰ দ্বাৰা কি বুজায়? অহা-যোৱাৰ ব্যৱস্থাৰ উন্নতিৰ পৰা আমাৰ সামাজিক জীৱনত কি পৰিবৰ্ত্তন হৈছে চোৱা যক। প্ৰথমতে ভ্ৰমণ কৰাৰ নতুন উপায় বিলাক— এই ক্ষেত্ৰত প্ৰতিটো উন্নতিৰ লগে লগে মানুহবিলাকো ওচৰ চাপি আহিছে। আগৰ দিনত প্ৰত্যেক গাওঁখন বা প্ৰতিটো জাতিয়েই একোটা গোট আছিল। নতুন আলি-পদূলি আৰু যান-বাহনৰ ব্যৱস্থাৰ লগে লগে প্ৰত্যেক প্ৰদেশ বা দেশখনেই একোটা গোট হৈ পৰিবলৈ ধৰিলে আৰু এই কাৰ্য্যৰ চৰম পৰিণতি হ'লগৈ ৰেল আৰু মটৰ গাড়ীবিলাক চলিবলৈ আৰম্ভ কৰাত। আজি-কালি শক্তিশালী সাগৰৰ জাহাজবিলাক আৰু এৰোপ্লেন ওলোৱাত মানুহে এখন দেশৰ

পৰা আন এখন দেশলৈ বৰ বেগেৰে যাব পাৰে। এই কাৰ্য্যৰ দ্বাৰা দেশবিলাক আৰু চমু চাপি আহিছে। ১৯ শতিকাৰ আগ ভাগৰ বোম্বেৰপৰা আহমেদাবাদ যিমান দূৰ আছিল আজিকালি বোম্বেৰ পৰা লণ্ডন তাতকৈ বেচি দূৰ নহয়। দ্বিতীয়তে আমি আমাৰ নিজৰ দেশ বা ঠাইখনৰ পৰা নাতৰাকৈয়ো পৃথিৱীৰ আন দেশত কি হৈছে জানিব পাৰোঁ। কোনো ঠাইত বিজ্ঞান, ঔষধ, খেতি-বাতি, ইঞ্জিনিয়াৰিং বা যুদ্ধৰ কিবা নতুন কৌশল বাহিৰ হলে গোটেই পৃথিৱীতে অলপ সময়ৰ ভিতৰতে কথাটো জনাজনি হয়। পৃথিৱীৰ যি কোনো ঠাইতে মাৰাত্মক সোঁচৰা বেমাৰ, বানপানী যুদ্ধ বা অৰ্থনৈতিক দুৰ্য্যোগ হলে সকলো ঠাইতে যে অকল জনাজনি হয় এনে নহয় এইবিলাকৰ দ্বাৰা হাজাৰ হাজাৰ মাইল দূৰত থকা মানুহবিলাকৰ জীৱনত প্ৰতিক্ৰিয়া উপস্থিত হয়। আমাৰ পৃথিৱী খনক একেখন কৰা বস্তু আৰু ঘটনা বিলাকৰ ভিতৰত কিছুমানৰ উদাহৰণ দিয়া গ'ল—পেনিচিলিন, আণৱিক বোমা, চীনদেশত হোৱা মাৰাত্মক সোঁচৰা বেমাৰ আৰু অষ্ট্ৰেলিয়াত এবছৰ খেতি নোহোৱা সমস্যা। এই বিলাকৰ ভাল বা বেয়া ফল গোটেই পৃথিৱীতে বিয়পি পৰে।

(এইটো কেনেকৈ হবলৈ পায় কিছুমান চলি থকা ঘটনাৰে বুজাই দিয়ক।)

(৩) ইয়াৰ পৰা এইটোকে বুজিব পাৰি যে আজিৰ দিনত পৃথিৱীখন একেখন হৈ পৰিছে—অৰ্থাৎ ইয়াৰ দেশবিলাক

পৰ-স্পৰৰ লগত চুবুৰীয়া যেন হৈ পৰিছে। আজি আৰু পৃথিৱীৰ মানুহবিলাকে বা দেশবিলাকে আনৰ দুখ সুখৰ প্ৰতি আওকণীয়া হৈ গাই গুটীয়া ভাৱে থাকিব নোৱাৰা হল। পৃথিৱীৰ প্ৰত্যেক মানুহেই স্বাৰ্থ, মঙ্গল, স্বাস্থ্য আৰু নিৰাপত্তা আদি বিষয়ত পৰস্পৰৰ লগত সম্বন্ধ জড়িত হৈ পৰিল।

(৪) এতিয়া আমি দেখিলোঁ, বিজ্ঞানে আমাক কেনেকৈ একতাৰ সূত্ৰত গাঁঠিছে। আমি হয় একেলগে মৰিব লাগিব, নহয় একেলগে তৰিব লাগিব। কিন্তু আমাৰ চিন্তাধাৰা আৰু অনুভূতিবিলাক এতিয়াও বহুত দূৰ পাচ পৰি আছে। আমি এতিয়া কৈ অহা দৰে চিন্তা নকৰোঁ বা কাম নকৰো! কিছুমান ভ্ৰান্ত বিশ্বাস আৰু কুসংস্কাৰ আমাৰ জাতীয় চৰিত্ৰত মজ্জাগত হৈ আছে আৰু আমি যে আন বিলাকতকৈ শ্ৰেষ্ঠ সেই ভাবটো এতিয়াও সদায় পোষণ কৰি আছো। ভাৰতীয় ইংৰাজ, চীনা, নিগ্ৰো, আৰব, খৃষ্টান, ইহুদী, হিন্দু আৰু মুছলমান বিলাক কিছুমান বিষয়ত বেলেগ হ'লেও মূলত তেওঁলোক একে আৰু তেওঁলোকৰ খোৱা বোৱা কাপোৰ কানি বাসস্থান, শান্তি, নিৰাপত্তা, শিক্ষা আৰু কৃষ্টি আদি বিষয়ৰ প্ৰয়োজনো একে বিধৰেই। কিন্তু জাতিবিলাকে আপোন পেটীয়া আৰু আগৰণুৱা ভাব লৈ দেশ ৰক্ষাৰ নামত অস্ত্ৰ-শস্ত্ৰ তৈয়াৰ কৰি অজস্ৰ টকা খৰচ কৰিবলৈ আৰম্ভ কৰে। আৰু ইয়াৰ ফলত জাতিবিলাকৰ ভিতৰত পৰস্পৰৰ প্ৰতি ভয় আৰু সন্দেহ আহি উপস্থিত হয় আৰু পৰিণামত যিবিলাক আচল সামাজিক কাম, সেইবিলাক ক্ষতিগ্ৰস্ত হয়।

(৫) যদি আমি পৃথিৱীখনে জীয়াই থকাটো আৰু উন্নতি কৰাটো বিচাৰোঁ তেতিয়া হলে আমি আমাৰ দৈনন্দিন জীৱনত তলত দিয়া সৰল অথচ মূল সত্যখিনি বিশ্বাস কৰি চলিব লাগিব :—

(ক) গোটেই পৃথিৱীৰ মানুহবিলাক আমাৰ ভাই ভনী।

(খ) আমি সচৰাচৰ আন মানুহৰ বিষয়ে যিবিলাক ভ্ৰান্ত ধাৰণা পোষণ কৰোঁ সেইবিলাক এৰি পেলাব লাগিব।

(গ) পৃথিৱীৰ ক'তো 'ভাল জাতি' আৰু 'বেয়া জাতি' নাই কেৱল সকলো দেশতে ভাল আৰু বেয়া মানুহ আছে।

(ঘ) আমি আন দেশৰ মানুহৰ লগত বন্ধুত্ব কৰিবলৈ যত্ন কৰিব লাগিব আৰু তেওঁলোকৰ কৃষ্টি আৰু আচাৰ ব্যৱহাৰত যিবিলাক ভাল কথা আছে সেইবিলাক স্বীকাৰ কৰিবলৈ শিকিব লাগিব।

(ঙ) আন দেশৰ মানুহবিলাক তেওঁলোকৰ ৰীতি-নীতি আৰু আচাৰ ব্যৱহাৰত আমাতকৈ বেলেগ হোৱা কাৰণেই আমি তেওঁলোকক আমাতকৈ নিকৃষ্ট বুলি ভাবি লব লাগিব। আমাৰ যেনেকৈ আমাৰ ৰীতি-নীতি মতে চলাটোৱেই আমাৰ পক্ষে মঙ্গল আৰু সুবিধাজনক কিজানি তেওঁলোকৰো তেওঁ-লোকৰ ৰীতি-নীতি মতে চলাটোৱেই তেওঁলোকৰ পক্ষে মঙ্গল আৰু সুবিধাজনক।

(চ) মানুহৰ যিবিলাক মনুষ্যোচিত গুণ যেনে ভদ্ৰতা, বন্ধুত্ব, সহনশীলতা, ভ্ৰাতৃত্ব আৰু মানসিক উৎকৰ্ষ এইবিলাক তেওঁৰ

২

গাৰ বৰণ বা নাকৰ আৰু চকুৰ আকৃতিতকৈ বেচি লেখত ল'ব লগীয়া।

(ছ) কেৱল মাত্র সহযোগিতা, শুভেচ্ছা আৰু নিজেও জীয়াই থাকোঁ আৰু আনকো জীয়াই থাকিবলৈ দিওঁ ভাৱৰ পৰাহে পৃথিৱীখন ৰক্ষা কৰিব পৰা যাব। উগ্ৰ জাতীয়তা, বৰ্ণ বিদ্বেষ, আনৰ আদৰ্শবাদৰ প্ৰতি অসহিষ্ণুতা আৰু এইবিলাকৰ দ্বাৰা উৎপ্ৰেৰিত হৈ থকা কামৰ পৰিণাম হৈছে—মৃত্যু আৰু ধ্বংস।

স্বাস্থ্য-নীতি।

(ক) আপোনাৰ নিজৰ স্বাস্থ্য।

১। আমি সকলোৱে দেখাত ফিটফাট আৰু ধুনীয়া হবলৈ বিচাৰোঁ। ভাল স্বাস্থ্যই মানুহক দেখাত ধুনীয়া কৰে। ঘাইকৈ চাফ-চিকুণ হৈ থকাৰপৰা মানুহৰ স্বাস্থ্য ভাল হয়।

২। পৰিশ্ৰমৰ পিচত ঘাম ওলায় আৰু ধূলি লাগি মানুহৰ শৰীৰ মলিয়ন হৈ পৰে। গা ধূলেহে চাফচিকুণ আৰু নিৰোগী হয়। আমাৰ নখ, দাঁত আৰু চুলি পৰিষ্কাৰ ৰখাটোও

এটা বৰ আৱশ্যকীয় কথা। চাফচিকুণ হৈ থাকিলে বেমাৰৰ বীজাণুবিলাক আঁতৰ হয়। আমি কেনে ধৰণৰ কাপোৰ পিন্ধো সেই বিষয়েও চকু ৰখা উচিত। ময়লা পাটৰ বা বনকৰা কাপোৰতকৈ চাফ কপাহী কাপোৰহে বেচি সন্মান-জনক আৰু স্বাস্থ্যৰ কাৰণে ভাল।

৩। বেমাৰৰ বীজাণুবিলাকক আমি সততে ভয় কৰি থাকিব লাগে। সেইবিলাক বহুত বিধৰ আৰু সেইবিলাকৰ পৰা নানা প্ৰকাৰ সৌঁচৰা ব্যাধি হয়। অপৰিষ্কাৰ ঠাইত আৰু অসুস্থ দেহত সেইবিলাক সহজে হয়। এই বীজাণু-বিলাকক ধ্বংস কৰিবই লাগিব আৰু সেইবিলাকে যাতে বিস্তাৰ লাভ কৰিব নোৱাৰে তাৰ কাৰণে আমি চকু ৰখা উচিত।

৪। এই বীজাণুবিলাকৰ আক্ৰমণৰপৰা ৰক্ষা পাবলৈ হলে আমাৰ শৰীৰত যথেষ্ট শক্তি সঞ্চয় কৰিব লাগিব। ৰ'দ, মুকলি বতাহ, উপযুক্ত আহাৰ, নিয়মীয়া পৰিশ্ৰম আৰু জিৰণিয়ে আমাক বেমাৰবিলাকৰ আক্ৰমণৰ পৰা ৰক্ষা পোৱাত সহায় কৰে।

৫। মুকলি বতাহে আমাৰ শৰীৰ শোধন কৰে, ৰদে আমাক শক্তি দিয়ে আৰু বেমাৰৰ বীজাণুবিলাক মাৰে। আহাৰৰ পৰা আমাৰ পুষ্টি হয় আৰু আমি শৰীৰত বল পাওঁ। আমাৰ শৰীৰৰ সকলোখিনি অভাৱ পূৰণৰ কাৰণে আমাৰ

মাংসসাৰ, শ্বেতসাৰ জাতীয় পদাৰ্থ, চৰ্ব্বি, ধাতব পদাৰ্থ, খাদ্যপ্ৰাণ আৰু পানী। এইবিলাক কেবাপ্ৰকাৰে আমাৰ কামত আহে। ঘেঁহুধান, উৰহী, মাংস, কণী আৰু গাখীৰৰ পৰা আমি প্ৰটিন বা মাংসসাৰ পাওঁ, শ্বেতসাৰ থকা বস্তুবিলাকৰ পৰা 'কাৰ্ব্বহাইড্ৰেট' পাওঁ, * গাখীৰ আৰু গাখীৰৰ পৰা উৎপন্নজাত বস্তুবিলাক পৰা চৰ্ব্বি পাওঁ, শাক-পাচলি, ফলমূল আৰু মাছৰ পৰা মিনাৰেলবিলাক পাওঁ। এই সকলোবিলাক খোৱা বস্তুতে কম বেচি পৰিমাণে শৰীৰ গঠনৰ কাৰণে আৱশ্যকীয় খাদ্যপ্ৰাণবিলাক থাকে। ভাল স্বাস্থ্যৰ কাৰণে নিয়মিত ব্যায়ামো কৰিব লাগে। ইয়াৰ দ্বাৰা আঁহ-পাহবিলাক মুকলি হয়। আৰু আমি কাম কৰিলে সহজে নাভাগৰা হওঁ। স্বাস্থ্যৰ কাৰণে জিৰণিও দৰকাৰ—এখন্তেক নিৰলে সময় কটোৱা, বেচি আয়াস কৰিব নলগা কোনো মনত বং লগা কামত লিপ্ত থকা এইবিলাকেই বিশ্ৰাম কৰাৰ ভাল উপায়। ক্ষয় হোৱা শক্তি পূৰণ কৰিবলৈ প্ৰায় আঠ ঘণ্টা মান টোপনি আৱশ্যক।

(৬) প্ৰত্যেক মানুহে স্বাস্থ্যৰ কাৰণে ওপৰত কৈ অহা নিয়ম বিলাক পালন *কৰাটো নিতান্ত আৱশ্যকীয়।

আপোনাৰ সমাজ খনৰ স্বাস্থ্য ।

(১) আপোনাৰ চাৰিওফালৰ ঠাইখিনি স্বাস্থ্যকৰ নহলে আপোনাৰ নিজৰ স্বাস্থ্য ভালে ৰখাটো সম্ভৱপৰ নহয় । সমাজৰ প্ৰত্যেকজন মানুহৰ স্বাস্থ্য ভালে ৰাখিবলৈ হলে আহাৰ পানীৰ যোগান, স্বাস্থ্য নীতি আৰু সঁ‍াচৰা বেমাৰ বিলাকৰ প্ৰতিকাৰৰ প্ৰতি বিশেষ মনোযোগৰ দৰকাৰ ।

(২) উন্নত ধৰনৰ খেতি, গৰু গাইৰ আপডাল, হাঁহ কুকুৰা পোহা আৰু মাছৰ খেতি ইত্যাদিৰ দ্বাৰা যথেষ্ট পৰিমাণে স্বাস্থ্যকৰ আহাৰৰ ব্যৱস্থা কৰাটো সমাজ খনৰ কৰ্ত্তব্য । সকলোৱে মিলি-জুলি কৰাকাম, আচল নিয়মৰ সম্বন্ধে জ্ঞান আৰু কামত আন্তৰিকতাই বহুত দেখাত অসম্ভৱ কথাকো সম্ভৱ কৰিব পাৰে ।

(৩) লেতেৰা নোহোৱা কুৱা, পুখুৰী আৰু নৈৰ পৰা আমাৰ খোৱা পানী আনিব লাগিব । সেইবিলাক পানী যাতে কোনো সঁ‍াচৰা বেমাৰে দুষিত কৰিবলৈ সুবিধা নেপায় তাৰ কাৰণে চকু ৰাখিব লাগিব । মানুহে যেনে তেনেকৈ এইবিলাক ব্যৱহাৰ কৰিব নালাগে । পানী অনাৰ পিচত শোধন কৰি লব লাগে । ফিটকিৰি আৰু পটাছ পাৰ্মেঙ্গেনেটে আমাক এই কামত সহায় কৰে ।

(৪) পানীৰ সহায়েৰে ময়লা ধুৱাই নিয়াৰ ব্যৱস্থা নাথাকিলে ময়লা সংশোধন কৰা নাদ খন্দাৰ ব্যৱস্থা কৰিব লাগে। এটা ডাঙৰ নাদ কেবা ঘৰো মানুহৰ কামত আহে। এনেকুৱা এটা নাদ থাকিলে কলেৰা আৰু টায়ফয়দ বেমাৰ হোৱাৰ ভয় নেথাকে।

(৫) গাঁৱলীয়া ঠাইবিলাকত পানীৰে ধুৱাই নিয়া পায়খানা সজাটো সম্ভৱপৰ নহয়। তাত য'তে ত'তে শৌচ-পেচাব কৰাৰ ফলত ঠাইবিলাক অস্বাস্থ্যকৰ হয়। সেইবিলাক ঠাইত মাটিত গাত খন্দা পায়খানা সাজিলে তেনে হোৱাৰ ভয় নেথাকে।

(৬) ঘৰৰ আৱৰ্জ্জনা আৰু ময়লা পানী পেলোৱাৰ পিনে চকু ৰাখিব লাগিব যাতে সেই কাৰ্য্যৰ দ্বাৰা মহ মাখি জন্মাত সহায় নহয়। প্ৰত্যেক জন মানুহৰে নাগৰিক বোধ থাকিব লাগিব আৰু তেওঁ তেওঁৰ চাৰিও ফালৰ ঠাইখিনি পৰিষ্কাৰকৈ ৰাখিব লাগিব।

(৭) সোঁচৰা বেমাৰ বিলাকৰ বিৰুদ্ধে যুদ্ধ কৰা কাৰ্য্যত ডাক্তৰী চিকিৎসা আৰু পৰিষ্কাৰ পৰিচ্ছন্নতা যেনে আৱশ্যকীয় কুসংস্কাৰ দূৰ কৰাটোও তেনে এটা আৱশ্যকীয় কাম। (শিক্ষকে কেইটামান উদাহৰণ দি বুজাই দিব।)

ভেকুলী [redacted]।

[redacted]

প্ৰকাশক

এজেন্সি কোম্পানী।

পোঃ আঃ ৰিহাবাৰি আসাম।

Printed at the gouri sanker press
By R saimah.

বেচ /০ এক অনা মাথোন।